# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 08-10-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চলিত মাহতে দিল্লীত ছিংগাপুৰৰ উচ্চায়ুক্তক সাক্ষাৎ কৰিব বুলি আজি ডিব্ৰুগড়ত প্ৰকাশ কৰে। এই ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰ আৰক্ষীৰ সহায় বিচাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে এই ঘটনাৰ ন্যায় প্ৰদানৰ বাবে অসম চৰকাৰ বদ্ধপৰিকৰ বুলিও মন্তব্য কৰে।

**ৰাইট (চি এম)**

ইপিনে বিশেষ তদন্তকাৰী গোটে আজি শিল্পীগৰাকীৰ সম্বন্ধীয় ভাতৃ তথা বকো সমজিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ কৰি ৭ দিনৰ জিম্মাত লয়। বিশেষ তদন্তকাৰী গোটে সন্দীপন গাৰ্গক যোৱা কেইবাদিনো ধৰি সোধা-পোছাৰ অন্তত আজি তেওঁক গ্ৰেপ্তাৰ কৰে। ইপিনে কণ্ঠশিল্পী মানস ৰবীনক আজি উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। শিল্পীগৰাকীয়ে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তেওঁৰ হাতত থকা প্ৰমাণ বিশেষ তদন্তকাৰী গোটক অৰ্পণ কৰে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ছিংগাপুৰত এই ঘটনাৰ সময়ত উপস্থিত থকা প্ৰবাসী অসমীয়া ৰূপ কমল কলিতাক আজি আৰক্ষীয়ে দ্বিতীয় দিনৰ বাবে সোধা-পোছা কৰে। ৰাজ্য চৰকাৰৰ আহ্বানমৰ্মে কালি তেওঁ গুৱাহাটীত চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত প্ৰায় ৬ ঘণ্টা ধৰি তেওঁক সোধা-পোছা কৰা হৈছিল।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় সচিবালয়ৰ পৰা প্ৰতিখন জিলাৰ আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়। বৈঠকত যোৱা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত ঝুমইৰ বিনন্দিনীত ভাগ লোৱা শিল্পী, মুল প্ৰশিক্ষক আৰু বিশেষজ্ঞসকলক সম্বৰ্ধনা আৰু মাননী প্ৰদান সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে অহা ১৬ অক্টোবৰত গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা এটা অনুষ্ঠানত বৰাক উপত্যকাৰ ৩ খন জিলাৰ বাহিৰে আন সকলো জিলাৰ শিল্পী, মূল প্ৰশিক্ষক আৰু বিশেষজ্ঞসকলক এখন গামোচা, দক্ষতা প্ৰমাণপত্ৰ আৰু মুখ্যমন্ত্ৰীৰ প্ৰশস্তিপত্ৰৰে সম্বৰ্ধনা জনোৱা হ'ব। সেইদিনাই সকলোৰে বেংক একাউণ্টত প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। বৰাক উপত্যকাৰ শিল্পী আৰু মূল প্ৰশিক্ষকসকলক পৰৱৰ্তী সময়ত শিলচৰত সম্বৰ্ধনা আৰু মাননী প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১৪ হাজাৰ ৩০১ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক চেক প্ৰদান কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১০ হাজাৰ ৬৫৪ গৰাকী আৰু নগৰাঞ্চলৰ ৩ হাজাৰ ৬৪৭ গৰাকী হিতাধিকাৰী আছে।

এই উপলক্ষে আজি কেহাং চাহ বাগিচাৰ টিংৰাই ক্লাব খেলপথাৰত আয়োজিত সভাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যৰ ৪০ লাখ মহিলাৰ ভিতৰত ৮ লাখ মহিলাক ইতিমধ্যে লাখপতি বাইদেউলৈ উন্নীত কৰা হৈছে আৰু আত্মসহায়ক গোটৰ প্ৰতিগৰাকী সদস্যাকে লাখপতি বাইদেউলৈ উন্নীত কৰাৰ ক্ষেত্ৰত তিনিবছৰীয়া পৰিকল্পনা লোৱা হৈছে।

ড০ শৰ্মাই আজি ডিব্ৰুগড় জিলাত এটা স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰে। অসম ৰাজ্যিক পৰিবহন নিগম আৰু এপ্লাছ আই টি ইউ ভি ইণ্ডিয়াৰ যৌথ উদ্যোগত প্ৰায় ১২ কোটি টকা ব্যয় সাপেক্ষে এই পৰীক্ষণ কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই কেন্দ্ৰটোৱে পথ দুৰ্ঘটনা হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এতিয়াৰ পৰা  জনসাধাৰণে যান-বাহনৰ উপযোগীতা পৰীক্ষণৰ বাবে জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়লৈ যাব নালাগে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই কেন্দ্ৰত প্ৰতি ঘণ্টাত দহখনকৈ গাড়ীৰ উপযোগিতা পৰীক্ষা কৰা হ'ব।  শেহতীয়াকৈ বিশ্বনাথ আৰু যোৰহাট জিলাত স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। পৰৱৰ্তী সময়ত বৰপেটা, মঙলদৈ আৰু বদৰপুৰত এনে কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

অহা ১০ অক্টোবৰত অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহ ঘোষণা কৰা হ'ব। সেইদিনা পুৱা চাৰে এঘাৰ বজাত  ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ ৱেবছাইট www.slprbassam.in ত ফলাফলসমূহ উপলব্ধ হ'ব। ৰাজ্যিক পৰ্যাযৰ আৰক্ষী নিযুক্তি পৰিষদে আজি এখন জাননী যোগে এই কথা ঘোষণা কৰিছে। পৰিষদে ঘোষণা কৰা অনুসৰি ১০ অক্টোবৰত অসম আৰক্ষীৰ ১৪৪ টা উপ পৰিদৰ্শক পদ, বেতাঁৰ সংগঠনৰ ৭ টা উপ পৰিদৰ্শক পদ, অসম কমাণ্ডো বেটেলিয়নৰ ৫১ টা, উপ পৰিদৰ্শক পদ আৰু ১৬৪ টা কণিষ্টবল পদৰ লগতে অন্যান্য পদৰ পৰীক্ষাৰ ফলাফল এই ৱেবছাইটত উপলব্ধ হ'ব।

০০০০০

ধাতৰীয় জৈৱিক পৰিকাঠামোৰ বিকাশৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু অষ্ট্ৰেলিয়াৰ ৩গৰাকী বিজ্ঞানীলৈ ২০২৫ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। চুচুমু কিটাগাৱা, ৰিছাৰ্ড ৰবছন আৰু ওমৰ এম য়াঘি নামৰ এই বিজ্ঞানীকেইগৰাকীয়ে গেছ আৰু অন্য ৰসায়ন প্ৰৱাহিত হ'ব পৰা বৃহৎ ব্যৱধানবিশিষ্ট আনবিক পৰিকাঠামো বিকশাই তুলিছে। চুচুমু কিটাগাৱা জাপানৰ ক্যটো বিশ্ববিদ্যালয়ৰ অধ্যাপক। ৰিছাৰ্ড ৰবছন অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ বিশ্ববিদ্যালয়ৰ আৰু ওমৰ এম য়াঘিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপকৰূপে কৰ্মৰত হৈ আছে। বিজ্ঞানী তিনিগৰাকীক ১ কোটি ১০ লাখ ছুইচ ক্ৰ'নাৰেৰে পুৰস্কৃত কৰা হব।

০০০০০

ঃঃ সমাপ্ত ঃঃ